# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-DEC.-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।  এছ্ আই আৰ আৰু মণিপুৰৰ জি এছ্ টি বিধেয়কৰ দৰে বিষয়ত বিৰোধী পক্ষৰ হুলস্থূলীয়া প্ৰতিবাদৰ বাবে সংসদৰ শীতকালীন অধিবেশনৰ প্ৰথম দিনৰ কাম-কাজ স্থগিত।

২।  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি যমুনামুখত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩।  শিলচৰ ৰে'ল ষ্টেচনৰ পৰা অত্যাধুনিক এল এইচ বি দবাৰ কাঞ্চনজংঘা এক্সপ্ৰেছখনৰ যাত্ৰাৰ শুভাৰম্ভ।

৪।  নগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজিৰে পৰা ১০-দিনীয়াকৈ হৰ্ণবিল মহোৎসৱ।

*আৰু*

৫।  বিশ্ব এইডছ্ দিৱস উপলক্ষে ৰাজ্যত ব্যাপক সজাগতা কাৰ্যসূচী।

ooooo

দেশৰ কেইবাখনো ৰাজ্যত ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধন চমুকৈ এছ্ আই আৰ আৰু মণিপুৰৰ জি এছ্ টি বিধেয়ককে  ধৰি বিভিন্ন বিষয়ৰ প্ৰতিবাদত বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছতে অধ্যক্ষ ওম বিৰলাই সদ্যপ্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ, অৱসৰপ্ৰাপ্ত কৰ্ণেল সোণাৰাম চৌধাৰী, অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা আৰু ৰবি নায়কলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পাছতে প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে বিৰোধী দলৰ সদস্যসকলে এছ্ আই আৰ আৰু আন কেইবাটাও বিষয়ৰ প্ৰতিবাদত শ্ল'গান দি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। তেওঁলোকে এই সম্পৰ্কত সদনত আলোচনাৰ বাবে দাবী জনায়।  অধ্যক্ষ ওম বিৰলাই সদস্যসকলক সংযত হ'বলৈ আহ্বান জনাই যদিও বিৰোধী দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত লোকসভাৰ কাম-কাজ প্ৰথমে দিনৰ ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ১২ বজাৰ পাছত সদন পুনৰ মিলিত হোৱাত বিৰোধী দলৰ সদস্যসকলে অনুৰূপ ধৰণে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত সদন দুই বজালৈকে আৰু ইয়াৰ পাছত সদন দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

বিৰোধীৰ প্ৰতিবাদৰ মাজতে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক ২০২৫ আৰু কেন্দ্ৰীয় আবকাৰী সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। এই আবকাৰী সংশোধনী বিধেয়কৰ জৰিয়তে ধপাতজাতীয় সামগ্ৰীৰ ওপৰত অধিক আবকাৰি শুল্ক আৰোপ কৰা হ'ব।

ৰাজ্যসভাত আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশৰ উচ্চ সদনৰ সভাপতি ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। সদনত আজি জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্সৰ গুৰবিন্দৰ সিং অবেৰয়, চৌধৰী মহম্মদ ৰমজান আৰু চাজ্জাদ আহমেদ কিছলুৱে সাংসদ হিচাপে শপত গ্ৰহণ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত যমুনামুখত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। যমুনামুখ ৰে'লৰে উৰণ সেতুখন উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই নিৰ্মাণে অঞ্চলটোত যান-জঁটৰ সমস্যা হ্ৰাস কৰি জনসাধাৰণক যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰিব। তেওঁ যমুনামুখ আৰু বঢ়মপুৰ ছহিদ স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে যমুনামুখকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত গৰাখহনীয়া ৰোধ কৰাৰ বাবে কপিলী আৰু হাৰিয়া নৈৰ পাৰত জলসম্পদ বিভাগে নিৰ্মাণ কৰিবলগীয়া মথাউৰিৰো মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কঠিয়াতলীত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। সমষ্টিটোৰ ৩৩ হাজাৰ ৬২৫গৰাকী মহিলাক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰা হয়। ইয়াৰে প্ৰায় ৩২ হাজাৰ মহিলা গ্ৰামাঞ্চলৰ বুলি আমাৰ নগাঁৰৰ সংবাদদাতাই জানিবলৈ দিছে। অনুষ্ঠানত সমবেত ৰাইজক সম্বোধন কৰি ড০ শৰ্মাই কয় যে ইতিমধ্যে ৰাজ্যখনত প্ৰায় ১০ লাখ মহিলাই এই আঁচনিৰ জৰিয়তে ধন লাভ কৰিছে আৰু আমাৰ নাৰী শক্তিক স্বাৱলম্বী কৰাত এই আঁচনিয়ে যথেষ্ট সহায় কৰিছে। অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত আৰু প্ৰায় ১৫ লাখ মহিলাক এই আঁচনিৰ অধীনত ধন বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**বাইট**

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুযায়ী আজি নগাঁও জিলাৰ বেবেজিয়াত জলচ্ছেদ মহোৎসৱ অনুষ্ঠিত হয়। ভূমি সংৰক্ষণ বিভাগৰ নগাঁও সংমণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই মহোৎসৱত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত ৰাজ্যৰ ২৪খন জিলাৰ ৩১টা জলচ্ছেদ প্ৰকল্প নিৰ্মাণ কাৰ্যৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰা হয়। ইয়াৰ লগতে ইতিপূৰ্বে নিৰ্মাণ সম্পূৰ্ণ হোৱা ৮৬টা প্ৰকল্প আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰি দিয়া হয়। ইয়াৰ উপৰি এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীৰ কৃষি সিঞ্চাই যোজনা আঁচনি ৰূপায়ণত উন্নত প্ৰদৰ্শন দাঙি ধৰা কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, কাৰ্বি আংলঙকে ধৰি মুঠ সাতখন জিলালৈ ২০ লাখকৈ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। মন্ত্ৰী শ্ৰীব্ৰহ্মই প্ৰকাশ কৰা অনুসৰি ৰাজ্যত ১৮৪টা জলচ্ছেদ প্ৰকল্পৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লগতে কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজৌৰিয়া, ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সঞ্চালক প্ৰদীপ দত্তকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ভাৰতীয় ৰে'লৱেই যাত্ৰীসকলক আৰামদায়ক যাত্ৰাৰ সুবিধা দিয়াৰ উদ্দেশ্যে পুৰণি আই চি এফ শ্ৰেণীৰ ডবাৰ ঠাইত অত্যাধুনিক লিংক-হফমেন-বুছ্ চমুকৈ এল এইচ বি ডবা প্ৰৱৰ্তন আঁচনিৰ অংশ হিচাপে শিলচৰ আৰু শিয়ালদাহৰ মাজত চলাচল কৰা কাঞ্চনজংঘা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ ডবাসমূহো এল এইচ বিলৈ পৰিৱৰ্তন কৰিছে।

এই এল এইচ বি ডবাৰ কাঞ্চনজংঘা এক্সপ্ৰেছখনৰ যাত্ৰা আজি শিলচৰ ৰে'ল ষ্টেচনৰ পৰা ৰাজ্য সভাৰ সাংসদ কনাড পুৰকায়স্থই পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে কয়, যে ২০১৪ চনৰ পাছত দক্ষিণ অসমৰ যোগাযোগ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটিছে। তেওঁ শিলচৰ-গুৱাহাটী আৰু শিলচৰ-ৰঙিয়া এক্সপ্ৰেছ দুখনৰ ডবাসমূহো এল এইচ বি ডবালৈ পৰিৱৰ্তন কৰিবলৈ ৰে'ল বিভাগৰ প্ৰতি আহ্বান জনায়।

*(বাইট ঃ কণাড)*

আজিৰ অনুষ্ঠানত বিধায়ক দীপায়ন চক্ৰৱৰ্তী আৰু নিহাৰ ৰঞ্জন দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজিৰে পৰা ১০ দিনীয়াকৈ ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱত ৰাজ্যখনৰ লোক কথা, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হৈছে। কিচামা গাঁৱৰ ইউনিটি প্লাজাত আজি বিয়লি চাৰি বজাত উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হয়। নাগালেণ্ডৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিছে। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে।

০০০০০

মৰিগাঁৱৰ পকছ' আদালতে ধৰ্ষণৰ অপৰাধত অভিযুক্ত তিনিজন লোকক আজি দোষী সাব্যস্ত কৰি ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। লোক কেইজন মৰিগাঁও জিলাৰ মিকিৰভেটাৰ ৰাজীবুল হক, মান্নান আলী আৰু চমেড আলী বুলি আমাৰ সংবাদদাতাই জনাইছে। এই লোক কেইজনে যোৱা বছৰৰ আগষ্টত মৰিগাঁও জিলাৰ মিকিৰভেটা থানাৰ অন্তৰ্গত এগৰাকী কিশোৰীক প্ৰলোভনেৰে গুৱাহাটীলৈ নি নিৰ্যাতন চলাইছিল। ঘটনা সন্দৰ্ভত কিশোৰী গৰাকীৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত মিকিৰভেটা আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত চলায়। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা মৰিগাঁও পকছ' আদালতত দাখিল কৰে। তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত আদালতে লোক কেইজনক দোষী সাব্যস্ত কৰি শাস্তি বিহে।

০০০০০

আজিৰে পৰা শিলচৰত অসম গ্ৰন্থ মেলা দ্বিতীয় বাৰৰ বাবে অনুষ্ঠিত হৈছে। অসম প্ৰকাশন পৰিষদ আৰু পুথি বিক্ৰেতা সন্থাৰ উদ্যোগত আয়োজিত এই গ্ৰন্থ মেলা পুলিচ পেৰেড খেলপথাৰত অহা ১০ ডিচেম্বৰলৈকে চলি থাকিব। আজি গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত দেশৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক আৰু কলকাতা বিশ্ববিদ্যালয়ৰ জনসংযোগ বিভাগৰ প্ৰাক্তন অধ্যাপক পাৰ্থ চেটাৰ্জী, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৰুচৰণ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক নিৰঞ্জন ৰায়, বিধায়ক দীপায়ন চক্ৰৱৰ্তী আৰু কমলাক্ষ দে পুৰকায়স্থকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত সভ্যতা ইতিহাস গ্ৰন্থৰ জৰিয়তে সংৰক্ষিত হৈ আছে বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে মন্তব্য কৰে। তেওঁ কয় যে ভাষা, ধৰ্ম আৰু কৃষি -এই সকলো মানৱ সভ্যতাৰ প্ৰাথমিক বিষয় কিতাপতে নথিভুক্ত কৰা হৈছে। মনৰ শান্তি আৰু ভাৰসাম্য ৰক্ষা কৰাৰ কাৰণে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ ডিজিটেল যুগৰ লগত খাপ খাই চলিবলৈ গ্ৰন্থৰ ডিজিটাইজেচনৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব

আৰোপ কৰে। উল্লেখযোগ্য যে, এইবাৰ গ্ৰন্থমেলাত দেশৰ বিভিন্ন প্ৰান্তৰ ৩১গৰাকী প্ৰকাশক গ্ৰন্থ বিক্ৰেতাই অংশগ্ৰহণ কৰিছে।

০০০০০

নিচাযুক্ত দ্ৰব্যবিৰোধী অভিযানৰ অংশ হিচাপে শ্ৰীভূমি আৰক্ষীয়ে আজি চূড়াইবাৰী তালাচী চকীত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্যসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ত্ৰিপুৰাৰ জিৰাণিয়া নিবাসী সৰবৰাহকাৰীজনে মেঘালয়লৈ নিচাযুক্ত সামগ্ৰীখিনি লৈ যোৱাৰ পথত শ্ৰীভূমিৰ চূড়াইবাৰীত আৰক্ষীয়ে তালাচী চলাই সামগ্ৰীখিনি উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় ২ কোটি টকা হ'ব বুলি শ্ৰীভূমি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব এইডছ্ দিৱস পালন কৰা হৈছে। অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ্ দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **অন্তৰায় অতিক্ৰমী এইডছৰ বিৰুদ্ধে যুঁজ দিওঁ আহক**। এই অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সঞ্চালক ডাঃ লক্ষ্মণন এছে এইদৰে কয়–

*(বাইট)*

তিনিচুকীয়া জিলাতো আজি বিশ্ব এইডছ্ দিৱস উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা এইডছ্ সমিতিৰ উদ্যোগত তিনিচুকীয়া চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে বিদ্যালয়খনৰ পৰা থানা চাৰিআলিলৈ এটা শোভাযাত্ৰা উলিওৱা হয়। তিনিচুকীয়া জিলা এইডচ নিয়ন্ত্ৰণ বিষয়া ডাঃ ৰাণী গগৈ আৰু বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত নেওগে এই শোভাযাত্ৰা মুকলি কৰে। দিৱসৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

বিশ্বনাথ জিলাৰ বৰগাং উচ্চ মাধ্যমিক বিদ্যালয়ত জিলা স্বাস্থ্য সমিতি আৰু জিলা এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত তথা বিহালী প্ৰেছ্ ক্লাবৰ সহযোগত বিশ্ব এইডছ্ দিৱস পালন কৰা হয়। এই উপলক্ষে সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ লগতে এইডছ্ বিৰোধী সমদলো উলিওৱা হয়।

বিশ্ব এইডছ্ দিৱস উপলক্ষে আজি ধেমাজি জিলাৰ পি এম শ্ৰী নৱোদয় বিদ্যালয়ত জিলা স্বাস্থ্য বিভাগে সজাগতা সমদল, তথ্যচিত্ৰ প্ৰদৰ্শন আৰু সভা অনুষ্ঠিত কৰে।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো বিভিন্ন স্বেচ্ছাসেৱী সংস্থা আৰু সংগঠনৰ উদ্যোগত এইডছ্ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

দক্ষিণ শালমৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি জিলা এইডছ্ নিয়ন্ত্ৰণ সমিতি, জিলা স্বাস্থ্য সমিতি আৰু অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ যৌথ উদ্যোগত বিশ্ব এইডছ্ দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে স্বাস্থ্য কৰ্মী আৰু অংগনবাড়ী কৰ্মীসকলে এইডছৰ সজাগতামূলক সমদল উলিওৱাৰ লগতে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয়ত সজাগতামূলক সভা অনুষ্ঠিত কৰে। এইডছ্ দিৱসৰ সৈতে সংগতি ৰাখি স্বাস্থ্য কৰ্মী আৰু সমাজ কল্যাণ বিভাগৰ কৰ্মচাৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ধুবুৰী জিলা স্বাস্থ্য বিভাগে বিশ্ব এইডছ্ দিৱস উপলক্ষে আজি বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰে। এই উপলক্ষে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জ্যোতি কুমাৰ দাসৰ নেতৃত্বত এটা শোভাযাত্ৰা উলিওৱা হয়।

জিলাখনত এইডছ্ আক্ৰান্তৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত সম্প্ৰতি প্ৰায় ২০০ গৰাকী এইডছ্ আক্ৰান্ত লোক থকা বুলি স্বাস্থ্য বিভাগে প্ৰকাশ কৰিছে।

শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু স্বাস্থ্য গোটৰ উদ্যোগত বিশ্ব এইডছ্ দিৱস পালন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ নিহাৰ ৰঞ্জন কলিতাৰ সভাপতিত্বত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত শুৱালকুছি মহাত্মা গান্ধী গ্ৰাম্য চিকিৎসালয়ৰ চিকিৎসক ডাঃ শ্যামন্ত কলিতাই এই ৰোগ সন্দৰ্ভত আতংকিত নহৈ সজাগ হ'বলৈ ৰাইজক পৰামৰ্শ দিয়ে।

০০০০০

বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতিৰূপে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণৰ পাছতেই শ্ৰী শইকীয়াই এখন বৈঠকত অংশ লৈ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত চলি থকা বিভিন্ন প্ৰকল্পৰ বুজ লৈ সন্তুষ্টি প্ৰকাশ কৰে। কলাক্ষেত্ৰ সচিব সুদৰ্শন ঠাকুৰে তেওঁক কলাক্ষেত্ৰ সমাজৰ হৈ আদৰণি জনায়। উল্লেখযোগ্য যে, যোৱা ১৫ অক্টোবৰত অনুষ্ঠিত কলাক্ষেত্ৰ সমাজৰ সাধাৰণ পৰিষদৰ বৈঠকত অভিনেতাগৰাকী উপ-সভাপতি হিচাপে মনোনীত কৰা হৈছিল।

০০০০০

অহা মাহৰ প্ৰথম ভাগতে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন মুকলি কৰাৰ বাবে নিৰ্মাণকাৰী সংস্থাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। দলংখনৰ নিৰ্মাণৰ ৯০ শতাংশ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি লোক নিৰ্মাণ বিভাগৰ কৰ্তৃপক্ষৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন বছৰৰ জানুৱাৰীত দলংখন মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। ছটা লেনযুক্ত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে দিনে-নিশাই কাম অব্যাহত আছে।

০০০০০

সমাপ্ত